অধ্যায় ৩ ঃ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প

৩.৪ ৰামধেনু যুগৰ চুটিগল্প

৩.৫ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা

৩.৫.১ সামাজিক চেতনা আৰু দায়বদ্ধতা

৩.৫.২ ঐতিহ্য প্ৰীতি আৰু প্ৰাচীন পৰম্পৰাৰ নামত শোষণ

৩.৫.৩ ৰোমাণ্টিকতাৰ বিপৰীতে মানৱীয় চেতনা বা মনঃস্তত্ত্বৰ প্ৰয়োগ

৩.৫.৪ ৰামধেনুৰ চুটিগল্পত পাশ্চাত্য মত-আদৰ্শৰ প্ৰয়োগ

৩.৫.৫ ৰামধেনুৰ চুটিগল্পত ব্যঙ্গৰ প্ৰয়োগ

৩.৫.৬ ৰামধেনুৰ চুটিগল্পত প্ৰগতিবাদী চিন্তাৰ প্ৰকাশ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামধেনু যুগৰ এটি পৰিচয়মূলক ধাৰণা লাভ কৰিব
- অসমীয়া চুটিগল্পৰ সোণালী যুগ ৰামধেনু যুগৰ চুটিগল্পৰ পটভূমি সম্পৰ্কে জ্ঞাত হ'ব পাৰিব
- ৰামধেনু যুগৰ চুটিগল্পসমূহৰ লগতে এই যুগটোৰ গল্পকাৰসকলৰ পৰিচয় লাভ কৰিব
- অসমীয়া চুটিগল্পই পৰিপূৰ্ণতা লাভ কৰা ৰামধেনু যুগৰ চুটিগল্পসমূহৰ ধাৰাসমূহৰ বিষয়ে ধাৰণা লাভ কৰাৰ সমান্তৰালভাৱে ন-ন বিষয়বস্তু, আঙ্গিক আৰু কলা-কৌশলৰ প্ৰয়োগেৰে এই সময়ৰ চুটিগল্পই কিদৰে উন্নত মানদণ্ড লাভ কৰি পূৰ্ণতা অৰ্জন কৰিছিল সেই বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

চতুৰ্থ ষাণ্মাসিকৰ প্ৰথম বুনিয়াদী পাঠ্যবিষয়ৰ এইটো তৃতীয় অধ্যায়। ইয়াত অসমীয়া চুটিগল্পৰ তৃতীয় স্তৰ ৰামধেনু যুগৰ চুটিগল্প সম্পৰ্কে আলোকপাত কৰা হৈছে। অসমীয়া চুটিগল্পৰ

জনক লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*ৰ পাততে জন্ম দিয়া অসমীয়া চুটিগল্পই *আৰাহন*ৰ পাততে বিকশিত হৈ ক্ৰমে *ৰামধেনু*ত পৰিপূৰ্ণতা লাভ কৰে। অসমীয়া চুটিকল্পৰ তৃতীয় বৈশিষ্ট্যপূৰ্ণ যুগৰ চুটিগল্প সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হৈছে। *আৰাহন*ৰ পৰা ক্ৰমশঃ উন্নত মানদণ্ডৰে ৰচনা হ'বলৈ ধৰা চুটিগল্পৰ বৈশিষ্ট্যৰ লগতে এই যুগৰ গল্পকাৰসকলে ন-ন কৌশলেৰে সৃষ্টি কৰা গল্প-সম্ভাৰ সম্পৰ্কে বৰ্ণনা আগবঢ়োৱা হৈছে।

৩.৩ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প

সাহিত্য সৃষ্টিৰ আঁৰত একোটা পটভূমিৰ অৱদান তথা অবিহণা নুই কৰিব নোৱাৰি। সকলো যুগৰ সাহিত্যৰ পটভূমি নিৰ্মাণ হয় সমসাময়িক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশসমূহৰ ওপৰত ভিত্তি কৰি। ৰামধেনু যুগৰ পটভূমি নিৰ্মাণৰ ক্ষেত্ৰত কিন্তু কথাটো কিছু সুকীয়া। যিহেতু *ৰামধেনু* আলোচনীয়ে এটি যুগ সৃষ্টি কৰিছে বুলি আমি সকলোৱেই জানো। তথাপিও কিন্তু *ৰামধেনু*ৰ জন্ম অৰ্থাৎ চল্লিশৰ দশকৰ পৰা ৰামধেনু যুগ বুলি চিহ্নিত কৰা হয় যদিও *ৰামধেনু*ৰ পটভূমি চল্লিশৰ বহু আগৰ পৰাই নিৰ্মাণ হ'বলৈ ধৰিছিল। প্ৰকৃতাৰ্থত *ৰামধেনু*ৰ পটভূমি দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰ পৰাই নিৰ্মাণ হ'বলৈ ধৰিছিল বুলিব পাৰিব।

কমল নাৰায়ণৰ সম্পাদনা তথা চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু ভবানন্দ দত্তৰ পৃষ্ঠপোষকতাত *জয়ন্তী*পুনৰ 1943 চনত ন-ৰূপত গঢ় লৈ উঠে। 1939 চনৰ পৰা দ্বিতীয় মহাসমৰ আৰম্ভ হয়। 1939 চনৰ 3 ছেপ্টেম্বৰত সাম্ৰাজ্যবাদৰ ফলস্বৰূপে জাৰ্মান, ইটালি আৰু জাপানৰ সৈতে গ্ৰেট বৃটেইন, আমেৰিকা আৰু ফ্ৰান্সৰ যুদ্ধ আৰম্ভ হয়। এই যুদ্ধৰ পৰিণতি স্বৰূপে ভাৰতৰ লগতে অসমৰ ৰাজনৈতিক পৰিৱেশো অস্থিৰ হৈ পৰিছিল। ভাৰতৰ ৰাজনৈতিক মঞ্চ কংগ্ৰেছ ৱৰ্কিং কমিটিৰ পৰামৰ্শ মানি গোপীনাথ বৰদলৈ মন্ত্ৰীসভাই 1939 চনৰ 16 নৱেম্বৰ তাৰিখে পদত্যাগ কৰে। মন্ত্ৰীসভাৰ পৰা ওলোৱা বহুজনে গান্ধীৰ আদৰ্শ সত্যাগ্ৰহ আন্দোলনত জঁপিয়াই পৰে। ইয়াৰ পাছত ক্ৰমে 1941 চনত ছাদুল্লাৰ পদত্যাগ, 1942ত নতুন মন্ত্ৰীসভা গঠন আৰু তাৰ পাছত অসমৰ সৰ্বত্ৰত আৰম্ভ হয় কৃষক বিদ্ৰোহ। তদুপৰি ছাদুল্লা চৰকাৰৰ অ-দূৰদৰ্শিতা নীতিৰ বাবেই পূৰ্ব বঙ্গৰ পৰা প্ৰব্ৰজনকাৰীৰ আগমন ঘটে। ফলস্বৰূপে জনসংখ্যা বৃদ্ধি, মূল্যবৃদ্ধি, আৰ্থিক দুৰৱস্থা, খাদ্যবস্তুৰ অভাৱ আদিয়ে অসমৰ সাধাৰণ জনগণক হাৰাশাস্তি কৰে।

দ্বিতীয় মহাসমৰৰ সমাপ্তিকালৈ 1921 চনৰ মহাত্মা গান্ধীৰ নেতৃত্বত গা কৰি উঠা স্বৰাজ আন্দোলনে অসমৰ জনগণকো স্পৰ্শ কৰিছিল। যাৰ ফলত অসমীয়া সমাজ-জীৱনলৈয়ো ইয়াৰ প্ৰভাৱ বিয়পিছিল। গান্ধীজীৰ স্বৰাজ আন্দোলনে অসমীয়া জনসমাজৰ লগতে অসমৰ ধৰ্মীয় সত্ৰসমূহকো স্পৰ্শ কৰিছিল।মুঠতে, দ্বিতীয় মহাযুদ্ধৰ আৰম্ভণিৰ লগে লগে ভাৰতৰ লগতে অসমৰ ৰাজনৈতিক অস্থিৰতাৰ প্ৰভাৱে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনতো প্ৰভাৱ তথা প্ৰসাৰ লাভ কৰিছিল। সেয়েহে ক'ব পাৰি যে ৰামধেনু যুগৰ পটভূমি সৃষ্টিত সমাজৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ প্ৰায়বোৰ ঘটনাৰ প্ৰভাৱ ৰামধেনু যুগৰ চুটিগল্পই বহন কৰিছে।

সাহিত্যত সমাজৰ ৰাজনৈতিক পৃষ্ঠভূমিৰ দৰেই অৰ্থনৈতিক পৃষ্ঠপোষকতাৰ দিশটোও

ওতঃপ্রোতভাৱে জড়িত হৈ থাকে। ৰাজনৈতিক অস্থিৰতাই সমাজৰ অর্থনৈতিক ভেঁটিটোকো থৰক-বৰক কৰি তোলে। মহাযুদ্ধৰ সমান্তৰালভাৱে বিভিন্ন ৰাজনৈতিক পৰিঘটনাই অসমৰ অর্থনৈতিক ভেঁটিটোকো দুর্বল কৰি তুলিছিল। তদুপৰি ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসন, বঙ্গদেশৰ প্রব্রজনকাৰীৰ দল আৰু দুখনকৈ মহাযুদ্ধই যি মাধমাৰ শোধাইছিল পৰিণতিত অসমৰ থলুৱা জনজীৱনৰ আর্থিক অৱস্থা অতি শোচনীয় হৈ পৰিছিল। যিহেতু সাহিত্যৰ মূল ভেঁটি নির্মাণ হয় সমাজত আৰু এখন সুস্থ-সৱল সমাজ গঠিত হয় তাৰ অর্থনৈতিক ভেঁটিৰ আধাৰত।আর্থ-সামাজিক সৱলতাইহে এখন সমাজক সুস্থ আৰু সবল ৰূপত প্রতিষ্ঠা কৰিব পাৰে। মহাযুদ্ধ, পুঁজিপতিসকলৰ শোষণৰ লগতে আন আন বিষয়সমূহে ৰাজহাড় বেঁকা কৰা সমাজখনৰ কৃষক, সাধাৰণ থলুৱা শ্রেণীৰ মানুহখিনিৰ উপৰিও বুদ্ধিজীৱীসকলকো অর্থনৈতিক সঙ্কটপূর্ণ অৱস্থাই প্রভাৱান্বিত কৰিছিল। অর্থনৈতিক দুৰৱস্থাই সাধাৰণ শ্রেণীৰ মানুহখিনিৰ দুখবহ জীৱনক জুৰুলা কৰি তুলিছিল। ফলস্বৰূপে সকলোৰে মাজত শোষণ মুক্তিৰ ভাৱনা জাগি উঠিছিল। ৰামধেনু যুগৰ গল্পসমূহৰ মাজত সেয়েহে অর্থনৈতিক অস্থিৰতাই জুৰুলা কৰা জনসাধাৰণৰ দুর্বিসহ জীৱনগাঁথাৰ লগতে শোষণ মুক্তিৰ ভাবনা প্রতিফলিত হৈছে। অর্থনৈতিক অৱনতিয়ে মানুহৰ মনলৈ কঢ়িয়াই অনা হতাশাৰ জীৱন্ত চিত্র এই সময়ছোৱাৰ গল্প-সম্ভাৰে বহন কৰিছে।

সমাজৰ অবিচ্ছেদ্য অঙ্গ সাংস্কৃতিক ক্ষেত্রখনৰ প্রভাৱেও ৰামধেনু যুগৰ পটভূমি নির্মাণত অৰিহণা যোগাইছে। 1939 চনৰ পৰা আৰম্ভ হোৱা দ্বিতীয় মহাসমৰ, 42ৰ গণবিপ্লৱ, গান্ধীৰ অসহযোগ আন্দোলনে অসমৰ সমাজ-জীৱনলৈ পৰিৱর্তনমুখী পৰিৱেশ কঢ়িয়াই আনিলে। সংস্কৃতি হ'ল একোখন সমাজৰ উত্তৰাধিকাৰী স্বৰূপ। সংস্কৃতি সমাজ নির্ভৰশীল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ভাৰত তথা অসমৰ জাতীয় জীৱনলৈ পৰিৱর্তনৰ বতৰা কঢ়িয়াই অনাৰ ক্ষেত্রত মহাযুদ্ধৰ অৱদানেই অত্যধিক। তেনে পৰিৱর্তনমুখী পৰিৱেশৰ পৰিণতিতে সমসাময়িক কালছোৱাত মহাত্মা গান্ধীৰ নাৰী মুক্তি আন্দোলন, স্ত্রী-শিক্ষাৰ জনপ্রিয়তা তথা প্রসাৰ, পাশ্চাত্য শিক্ষাৰে শিক্ষিত শ্রেণীৰ উদাৰনৈতিক দৃষ্টিভঙ্গীয়ে সাংস্কৃতিক পটভূমি নির্মাণত উপাদানস্বৰূপে অৰিহণা যোগাইছিল। বিভিন্ন কাৰকৰ বাবে গঢ় লৈ উঠা পৰিৱর্তনমুখী ভাবনাই ব্যক্তিৰ মনত ৰূপান্তৰিত মূল্যবোধৰ বীজ অঙ্কুৰিত কৰিবলৈ ধৰিলে। যাৰ ফলত মানুহৰ মনত ন-পুৰণিৰ দ্বন্দ্বই বহুলভাৱে ক্রিয়া কৰিছিল। প্রহ্লাদ কুমাৰ বৰুৱাৰ ভাষাত— "এফালে নতুনৰ প্রতি মোহ আৰু নতুনৰ নামত দেখা দিয়া বিকৃতি; এফালে ঐতিহ্যৰ প্রতি সম্মোহন, আনফালে ঐতিহ্যৰ নামত এচামৰ ৰক্ষণশীল মনোভাৱ— এই দুই বিপৰীতধর্মী দ্বন্দ্বই বিংশ শতিকাৰ আদিভাগত সচেতন শ্রেণীৰ মনত পীড়া আৰু যন্ত্রণাৰ সৃষ্টি কৰিছিল।"

৩.৪ ৰামধেনু যুগৰ চুটিগল্প

ৰামধেনুৰ যোগেদি অসমীয়া চুটিগল্পৰ সোণালী যুগ ৰূপে স্বীকৃত সমৃদ্ধিশালী তৃতীয়টো স্তৰ আৰম্ভ হয়। এই স্তৰৰ চুটিগল্পৰ ক্ষেত্রখনৰ পৰিসৰ পূর্বতকৈ অধিক বিস্তৃত হোৱাৰ লগতে গল্পৰ সকলো দিশতে পৰিৱর্তনে দেখা দিলে। এই যুগৰ গল্পবোৰত ৰোমাণ্টিকতাৰ বিপৰীতে

সামাজিক দুর্নীতি, অর্থনৈতিক সঙ্কট, নৈতিক অৱক্ষয়, ৰাজনৈতিক সংঘাত আৰু যুদ্ধৰ তিক্ত অভিজ্ঞতা বর্ণিত হ'বলৈ ধৰিলে। বাস্তৱমুখী চিন্তাৰ প্ৰৱাহ এই কালৰ গল্পত ফুটি উঠা দেখিবলৈ পোৱা যায়। ফলস্বৰূপে 'ৰামধেনু' যুগৰ গল্পত মানুহৰ মনোজাগতিক সত্তাৰ আভাস, বাস্তৱবাদৰ ধাৰণা, সামাজিক চেতনাবোধ, মার্ক্সীয় দর্শনৰ আলোকত মানুহৰ মুক্তি চেতনা বিশেষভাৱে আত্মপ্রকাশ কৰে। এই যুগৰ চুটিগল্পত পাশ্চাত্যৰ চেতনাস্রোত পদ্ধতি, ফ্রয়েডীয় মনঃস্তত্ত্ব আদি ভাবধাৰাৰ প্রভাৱ পৰিলক্ষিত হয়। সত্যেন্দ্র নাথ শর্মাৰ ভাষাত— "এই শ্রেণীৰ লেখকৰ ৰচনাত মার্ক্সবাদৰ প্রভাৱ বিশেষভাৱে দেখা যায়। আনহাতে আকৌ আধুনিক মনোবিজ্ঞানে বিশেষকৈ ফ্রয়েডৰ বিশ্লেষণ প্রণালীয়ে বা যৌন দর্শনে বহুতো লেখকক প্রভাৱান্বিত কৰিছে। ৰোমাণ্টিক ভাবাদর্শৰ ঠাই অধিকাৰ কৰিছে বাস্তৱবাদে, সৰল বর্ণনাৰ ঠাই অধিকাৰ কৰিছে বিশ্লেষণে আৰু লগে লগে বুদ্ধিমত্তাৰ অধিক প্রয়োগ লক্ষ্য কৰা যায়।"

এই সময়ৰ গল্পৰ আঙ্গিকৰ দিশতো পৰম্পৰাগত আৰু পৰীক্ষামূলক ৰীতিৰ প্রয়োগ লক্ষ্যণীয়। গল্পসমূহৰ আঙ্গিকৰ ক্ষেত্রত ফ্লেচবেক (পশ্চাৎ অৱলোকন) পদ্ধতি, প্রতীক-চিত্রকল্পৰ ব্যৱহাৰ আৰু অবিভাজ্য সময়ৰ ভেঁটিত কাহিনী উপস্থাপনৰ যোগেদি নতুনত্ব সূচনাৰ প্রয়াস দেখিবলৈ পোৱা যায়। সামাজিক অস্থিৰতা, অর্থনৈতিক সঙ্কট আৰু ভোগ-বিলাসী জীৱনৰ প্রতি স্পৃহা আৰু জনসাধাৰণৰ মনত আস্থাহীনতাৰ পৰা সৃষ্টি হোৱা ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বই যুদ্ধোত্তৰ যুগৰ সাহিত্যিকসকলক প্রাৰম্ভিক স্তৰৰ গল্প সাহিত্যৰ পৰা বহুদূৰ আঁতৰাই আনিলে। এনেবোৰ পৰিৱর্তিত পৰিৱেশৰ মাজেদি গঢ় লোৱা 'ৰামধেনু যুগ'ৰ চুটিগল্পবোৰ বাস্তৱানুৰাগী ৰূপত ৰচিত হ'বলৈ ধৰিলে।

গল্পত ভাববস্তু, কলা-কৌশল আদিৰ ক্ষেত্রত নতুনত্বৰ সূচনাৰে কথা-সাহিত্য ৰচনা কৰি যুদ্ধোত্তৰ যুগত প্রতিষ্ঠা লাভ কৰা লেখকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিক, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, প্রফুল্ল দত্ত গোস্বামী, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্র নাথ শইকীয়া, হোমেন বৰগোহাঞি, চন্দ্রপ্রসাদ শইকীয়া, ৰোহিণী কুমাৰ কাকতি, লক্ষ্মীনন্দন বৰা, পদ্ম বৰকটকী, নিৰুপমা বৰগোহাঞি, মেদিনী চৌধুৰী, বীৰেশ্বৰ বৰুৱা, অতুলানন্দ গোস্বামী, ছাইদুল ইছলাম, নিৰোদ চৌধুৰী, শীলভদ্র, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া, নীলিমা শর্মা, ইমৰাণ শ্বাহ, ভুবনমোহন মহন্ত, অণিমা দত্ত, প্রবীণা শইকীয়া উল্লেখযোগ্য।

'বন্ধ কোঠা' শীর্ষক গল্পৰে কাহিনী-সাহিত্য ৰচনাত মনোনিৰেশ কৰা চৈয়দ আব্দুল মালিক 'আৰাহন' আৰু 'যুদ্ধোত্তৰ'— এই দুই যুগৰ সংযোগ সেতু স্বৰূপ। তেওঁৰ 'প্রাণ পোৱাৰ পাছত', 'যীশুখ্রীষ্টৰ ছবি', 'বীভৎস বেদনা', 'ৰঙা তেজ', 'দুখন ভৰি' আদি গল্প ভাষা, বর্ণনা ৰীতি, বিষয়বস্তু, চৰিত্র আৰু সমসাময়িক সমাজ জীৱনৰ চিত্রণৰ দিশৰ পৰা অতি উন্নত মানৰ ৰচনা। তদুপৰি দেশ বিভাজনৰ চিত্র, প্রাচ্য আৰু পাশ্চাত্যৰ সংযোগ আৰু যুদ্ধৰ পটভূমিত ৰচিত কাহিনীসমূহত সমসাময়িক সমাজ আৰু পৰিস্থিতি সুন্দৰ ৰূপত প্রতিফলিত হৈছে।

ৰামধেনু যুগৰ এগৰাকী উল্লেখযোগ্য গল্পকাৰ হ'ল *ৰামধেনু* পত্রিকাখনৰ সম্পাদক বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য। অসমীয়া সাহিত্যত এই পত্রিকাখনে ভট্টাচার্যৰ পৃষ্ঠপোষকতাত এটি

নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। এইগৰাকী গল্পকাৰৰ গল্পসমূহক 'কলং আজিও বয়' [1961], 'সাতসৰী' [1963], 'খিৰিকী কাষৰ আসন' [1994] আৰু 'পুৰণি গল্পৰ ন-ৰূপ' [2000] এনেদৰে চাৰিটা সঙ্কলনত অন্তর্ভুক্ত কৰা হৈছে। ভট্টাচার্যৰ গল্পৰ মাজত বিশ্বযুদ্ধই সৃষ্টি কৰা আতঙ্ক, নিঃস্বার্থ মানৱ প্ৰেম, নৰ-নাৰীৰ যৌন প্ৰেম, আধ্যাত্মিক চেতনা আৰু মানুহৰ মৌলিক প্ৰবৃত্তিৰ বর্ণনা পোৱা যায়। গল্পবোৰৰ মাজেদি জীৱনৰ আদর্শ প্ৰচাৰ কৰাৰ লগতে গল্পৰ চৰিত্ৰৰ মাজেদি প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদৰ ধ্বনি প্ৰকাশ কৰিছে।

এই যুগৰ এগৰাকী বিশিষ্ট লেখক যোগেশ দাসে সামাজিক অন্যায়-অনাচাৰ, কু-সংস্কাৰ, নৰ-নাৰীৰ প্ৰেম আৰু আকর্ষণ, সমাজৰ দাৰিদ্ৰ শ্ৰেণীৰ প্ৰতি প্ৰতিপত্তিশীল লোকৰ শোষণ আৰু নিষ্পেষণক বিষয় ৰূপে লৈ গল্পবোৰ ৰচনা কৰিছে। চাহ বাগিচাৰ জনজীৱনৰ প্ৰতিফলন তেওঁৰ ৰচনাত উপলব্ধ। কথা-সাহিত্যিক গৰাকীৰ প্ৰায়বোৰ ৰচনাৰ মাজত সমাজৰ বাস্তৱ সমস্যাৰ সূক্ষ্ম পর্যবেক্ষণ পোৱা যায়।

ৰৰদৈচিলা আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰা মহিম বৰাই বৈচিত্ৰ্যময় বিষয়বস্তুৰে সৃষ্টি কৰা গল্পৰ মাজত বাস্তৱ চিত্ৰ অঙ্কনৰ লগতে হাস্যৰসাত্মক ধাৰাটো শক্তিশালী ৰূপত তুলি ধৰিছে।বৰাৰ গল্প সঙ্কলনকেইখন হ'ল ঃ *কাঠনিবাৰীৰ ঘাট* [1961], *বহুভুজী ত্ৰিভুজ* [1967], *এখন নদীৰ মৃত্যু* [1972] আৰু *ৰাতি ফুলা ফুল* [1977]। অসমীয়া গ্ৰাম্য জীৱনৰ চিত্ৰ প্ৰতিফলনৰ মাজেদি ৰচনা কৰা গল্পত কাহিনী-বিন্যাসৰ ক্ষেত্ৰত কৰা চিত্ৰকল্পৰ প্ৰয়োগে গল্পকাৰজনৰ নির্মিতিক অনন্য মাত্ৰা প্ৰদান কৰিছে।

'এদিন' গল্পৰ যোগেদি কথাশিল্পীৰূপে আত্মপ্ৰকাশ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত ভাব, ঘটনা আৰু ফলশ্ৰুতিৰ ঐক্য ৰক্ষিত হোৱা পৰিলক্ষিত হয়। নৈতিক আদর্শ প্ৰতিষ্ঠাৰ প্ৰয়াসেৰে ৰচনা কৰা গল্পবোৰত গল্পকাৰজনাই চৰিত্ৰৰ গভীৰতালৈ প্ৰৰেশ কৰাৰ লগতে চৰিত্ৰৰ মানসিক সংঘাতৰ অৱতাৰণা কৰিছে।

পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰীতিৰে ৰচনা কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পবোৰৰ পটভূমি বাস্তৱ সমাজ। তেওঁৰ গল্প-সঙ্কলনকেইখন হ'ল— *প্ৰহৰা* [1963], *বৃন্দাবন* [1965], *গহ্বৰ* [1969], *সেন্দূৰ* [1971], *শৃঙ্খল* [1975], *ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প* [1976], *তৰঙ্গ* [1979], *এইবন্দৰৰ আবেলি* [1988], *আকাশ* [1988], *উপকণ্ঠ* [1992] আৰু *সন্ধ্যা ভ্ৰমণ* [1998]। দৈনন্দিন জীৱনৰ বাস্তৱ সমস্যা, নাৰী মনৰ মনঃস্তাত্ত্বিক বিশ্লেষণ, মানুহৰ জৈৱিক তাড়না, বর্ণবৈষম্য, দাৰিদ্ৰ আৰু সহজ-সৰল মানুহৰ জীৱনৰ চিত্ৰ গল্পৰ মাজত মনোগ্ৰাহী ৰূপত প্ৰকাশ কৰিছে।

'আবেলিৰ আলিবাটৰ গল্প' শীর্ষক কাহিনী ৰচনাৰে গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰা হোমেন বৰগোহাঞিৰ নির্মিতিৰ মাজত ব্যক্তি মনৰ বিষাদ, হতাশা, নিৰাশা, নিঃসংগতা আদি আধুনিকতাবাদৰ লক্ষণসমূহ দেখিবলৈ পোৱা যায়। মানুহৰ মনোজগতৰ লগতে প্ৰকৃতি জগতৰ মনোৰম আৰু ৰহস্যময় চিত্ৰৰ বর্ণনাও তেওঁৰ ৰচনাত উপলব্ধ। তেৱেঁই অসমীয়া কথা-সাহিত্যত জীৱনৰ বাস্তৱতা আৱৰণবিহীন ৰূপত কাহিনীৰ মাজত তুলি ধৰা পদ্ধতিটোৰ আৰম্ভণি কৰিছিল।

সৌৰভ কুমাৰ চলিহা 'ৰামধেনু যুগ'ৰ এগৰাকী উল্লেখযোগ্য গল্পকাৰ। দ্বিতীয় মহাসমৰৰ পাছত সমাজখনৰ ক্ষয়িষ্ণু পৰিৱেশ, সুবিধাবাদী স্বাৰ্থপৰ চৰিত্ৰ, দুই যুগৰ দুটা মূল্যবোধৰ দ্বন্দ্ব চলিহাই অতি সুন্দৰকৈ গল্পত প্ৰতিফলিত কৰিছে। নগৰীয়া জীৱনক পটভূমিৰূপে লৈ ৰচনা কৰা তেওঁৰ বেছিভাগ গল্পই মননশীল।

পৰম্পৰাবাদী ধাৰাৰে গল্প ৰচনাত অগ্ৰসৰ হোৱা লক্ষ্মীনন্দন বৰাৰ বেছিভাগ নিৰ্মিতিৰে পটভূমি গ্ৰাম্য সমাজ জীৱন। অৱশ্যে তেওঁৰ প্ৰথমাৱস্থাৰ গল্পসমূহৰ বাদে পৰৱৰ্তী সময়ৰ ৰচনাত আধুনিকতাৰ প্ৰভাৱত ৰূপান্তৰৰ পথত অগ্ৰসৰ হোৱা গাঁৱলীয়া সমাজৰ অৱক্ষয়ৰ ছবি সম্বলিত কাহিনীহে পোৱা যায়। গল্পকাৰ বৰাই গল্পৰ পৰিৱেশক সজীৱতা প্ৰদান কৰাৰ উদ্দেশ্যেৰে কথিত ভাষা প্ৰয়োগ কৰাৰ লগতে জনবিশ্বাস, ভাওনা-সবাহ আদি ধৰ্মীয় পৰিৱেশ আৰু প্ৰচলিত আচাৰ-ৰীতি উপস্থাপন কৰিছে।

'শান্ত ছোৱালীজনী তাই' গল্পৰে গল্পকাৰ ৰূপে আত্মপ্ৰকাশ কৰা নিৰুপমা বৰগোহাঞিয়ে মধ্যবিত্ত আৰু নিম্নবিত্ত শ্ৰেণীৰ জীৱন যন্ত্ৰণা, নগৰীয়া মানুহৰ সৰল গাঁৱলীয়া সমাজৰ প্ৰতি অৱহেলা, আধুনিক শিক্ষাৰে শিক্ষিত নাৰীৰ মানসিকতা, আঢ্যৱন্ত লোকৰ মানসিক সঙ্কীৰ্ণতাৰ বাস্তৱসম্মত চিত্ৰণ দেখিবলৈ পোৱা যায়। তেওঁৰ শিল্পকৰ্মত আধুনিক শিক্ষিতা নাৰীৰ মনঃস্তত্ত্বৰ সূক্ষ্ম বিশ্লেষণ আগবঢ়াইছে।

প্ৰবীণা শইকীয়াৰ গল্পত চৰিত্ৰৰ মনোজগতৰ প্ৰতিফলন, সূক্ষ্ম বিশ্লেষণ, পৰিণতিমুখী উৎকণ্ঠাৰে কাহিনীৰ বৰ্ণনা, সংস্কাৰকামী মনোভাৱ আৰু সমাজৰ অন্যায়-অবিচাৰৰ প্ৰতি ঘোষণা কৰা বিদ্ৰোহৰ সুৰ বাজি উঠিছে।

দ্বিতীয় মহাযুদ্ধৰ লগতে সমাজত গা কৰি উঠা ৰাজনৈতিক, সামাজিক আদি বিভিন্ন সমস্যাই ষাঠিৰ দশকৰ অসমীয়া সমাজখনৰ লগতে অসমীয়া সাহিত্যৰ জগতখনকো জুৰুলা কৰিবলৈ ধৰে। ফলস্বৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এটি স্বৰ্ণময় যুগৰ সূচনা কৰাত অৰিহণা যোগোৱা *ৰামধেনু* আলোচনীৰ প্ৰকাশ বন্ধ হ'বলৈ ধৰে। কিন্তু মন কৰিবলগীয়া বিষয় যে, *ৰামধেনুৰ* পাছত অসমীয়া সাহিত্যত কোনো এখন যুগান্তকাৰী আলোচনীয়ে জন্মলাভ কৰা যেন মনে নধৰে। সেয়েহে কুৰি শতিকাৰ শেষৰ দৰ্শক তিনিটাক বিভিন্নজন পণ্ডিত-সমালোচকে সাম্প্ৰতিক যুগ বুলি অভিহিত কৰিছে।

৩.৫ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা

ৰামধেনু আলোচনীখনে 1950ৰ পৰা 1960 চনলৈকে এই দুটিমান দশকলৈ সমসাময়িক কালছোৱাৰ সাহিত্যৰ অগ্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰিছিল। 1950 চনৰ পৰা প্ৰকাশিত এই পত্ৰিকাখনৰ 1952 চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ভট্টাচাৰ্যই দায়িত্ব গ্ৰহণ কৰাৰ পৰাই প্ৰকৃতাৰ্থত আলোচনীখনে গল্প-কবিতাৰ দিশত উন্নত মানদণ্ড লাভ কৰি অসমীয়া সাহিত্যত এটি যুগৰ সূচনা কৰিলে। তেওঁ সম্পাদনাত প্ৰকাশিত *ৰামধেনুৰ* যোগেদি পটুৱৈ সমাজে আধুনিক সাহিত্য আৰু বিশ্ব সাহিত্যৰ

সৈতে যোগসূত্ৰ স্থাপন কৰিবলৈ সুযোগ পালে। সম্পাদকৰ নৱ চিন্তাৰ আধাৰত প্ৰকাশিত আলোচনীৰ পাতত প্ৰকাশ পোৱা চুটিগল্প সাহিত্যতো ন-ন কলা-কৌশল, আঙ্গিক আৰু বিষয়বস্তুৰ প্ৰয়োগ লক্ষ্য কৰা যায়। সমাজৰ বিভিন্ন পৰিঘটনাবোৰে বুদ্ধিজীৱী তথা গল্পকাৰসকলৰ ৰচনাত ভুমুকি মাৰিবলৈ ধৰিলে। চুটিগল্পৰ পাঠকক আনন্দ দিয়াৰ উদ্দেশ্যে সমসাময়িক কালত পৰিৱৰ্তন হ'ল। তাৰ বিপৰীতে 'Fear of Inciden' হ'বলৈ ধৰিলে। মুঠতে, আধুনিক জীৱনৰ চিন্তা-চেতনা, পৰিৱৰ্তিত মূল্যবোধ আৰু জীৱনৰ বাস্তৱতাই ৰামধেনু যুগৰ গল্পসম্ভাৰক যথেষ্টভাৱে প্ৰভাৱিত কৰিছিল।তদুপৰি মনোজগত সম্পৰ্কীয় জটিলতা আৰু আধ্যাত্মিক সঙ্কটৰ চিত্ৰ *ৰামধেনুৰ* গল্পসমূহৰ মাজত সুস্পষ্ট আৰু আৱৰণবিহীন ৰূপত চিত্ৰিত হৈছে।

৩.৫.১ সামাজিক সচেতনতা আৰু দায়বদ্ধতা

মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনৰ প্ৰতি দেশৰ নাগৰিকসকল যথেষ্ট আকৰ্ষিত হৈছিল। সমসাময়িকভাৱে সৃষ্টি হোৱা দ্বিতীয় মহাসমৰে মানৱ জীৱনলৈ চৰম অস্থিৰতা মাতি আনিলে। ফলত সমাজ জীৱনৰ বহুল পৰিৱৰ্তন হ'ল। সাম্প্ৰদায়িক ভেদ, সামাজিক দুৰ্নীতি, ইংৰাজ আৰু পুঁজিপতিসকলৰ শোষণৰ উপৰি ৰাজনৈতিক শীতল যুদ্ধ, আণৱিক বিস্ফোৰণ, বিপৰীতমুখী আদৰ্শবাদী চিন্তা তথা অৰিয়া-অৰিয়ে সাহিত্যিকসকলক প্ৰভাৱান্বিত কৰিছিল। তদুপৰি পৃথিৱীৰ যিকোনো কোণত সংঘটিত ঘটনাই অসমীয়া চুটিগল্পকাৰসকলকো প্ৰভাৱিত কৰিছিল। তেওঁলোকে নিজৰ সৃষ্টি সম্ভাৰৰ যোগেদি কৃষক মুক্তিৰ সপোন, জমিদাৰ শ্ৰমিকৰ দুৰ্ভোগ আদি বিষয়বোৰ উপস্থাপন কৰিবলৈ ধৰিলে। মুঠতে, সমাজৰ একো একোজন সচেতন তথা দায়বদ্ধ ব্যক্তি ৰূপে সমাজৰ বিসংগতিপূৰ্ণ বিষয়সমূহ যুক্তিসহকাৰে তেওঁলোকৰ ৰচনা-সম্ভাৰত উপস্থাপন কৰিবলৈ যত্ন কৰিছিল। ইয়াৰ উপৰি গল্প-সম্ভাৰত সমসাময়িক সমাজৰ দুখীয়া শ্ৰেণীটোৰ প্ৰতি মানৱীয় অনুকম্পা আৰু পুঁজিপতি বা ধনীক শ্ৰেণীটোৰ মাজত সততে পৰিলক্ষিত হোৱা হৃদয়হীনতাৰ স্বৰূপ চিত্ৰিত হৈছে। সমাজৰ দৰিদ্ৰ শ্ৰেণীটোৰ দুখৰহ জীৱনৰ উপলব্ধি ৰামধেনু যুগৰ নিৰুপমা বৰগোহাঞিৰ 'ৰেহাই মূল্যত' গল্পত জীৱন্ত ৰূপত প্ৰতিভাত হৈ পৰিছে। ইয়াৰ উপৰি লক্ষ্মীনন্দন বৰাৰ 'দেৱতাৰ ব্যাধি' আৰু 'গুৰুপৰ্ব' গল্পত দৰিদ্ৰৰ দুখৰহ জীৱনৰ চিত্ৰ অংকিত হৈছে। দুখীয়াৰ জীৱন যন্ত্ৰণা আৰু বিত্তৱান শ্ৰেণীৰ পাশৱিক হৃদয়বিদাৰক চিত্ৰ পোলেন বৰকটকী আৰু যোগেন শৰ্মাৰ গল্পক প্ৰকাশি উঠিছে।

এই সময়ৰ গল্পত অসমৰ বিভিন্ন জনজাতিৰ সমস্যাৰ প্ৰতি দৃষ্টি আৰোপ কৰিছিল। ৰোহিণী কুমাৰ কাকতিৰ 'ৰাহু', মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' আদি জনজাতীয় সমাজৰ বাস্তৱধৰ্মী চিত্ৰসম্বলিত একোটা সাৰ্থক গল্প। এই সমূহ গল্পত সমাজ সচেতন তথা সামাজিক দায়বদ্ধতা সম্পন্ন গল্পকাৰসকলে সমাজৰ পতনমুখী আৰু দুখ-দুৰ্যোগে জুৰুলা কৰা মানৱ জীৱনৰ হৃদয়স্পৰ্শী বৰ্ণনা আগবঢ়াইছে। দায়বদ্ধ সাহিত্যিক তথা

গল্পকাৰৰূপে এই সময়ৰ গল্পসমূহত সামাজিক জীৱনত সচৰাচৰ পৰিলক্ষিত অপ্ৰীতিকৰ পৰিৱেশৰ বিৰুদ্ধে তীক্ষ্ণ বাক্যশেল নিক্ষেপ কৰিছিল।

৩.৫.২ ঐতিহ্য প্ৰীতি আৰু প্ৰাচীন পৰম্পৰাৰ নামত শোষণ

বিভিন্ন কাৰকৰ অৰিহণাতেই এই যুগত মানুহৰ মাজত নৈতিক আদৰ্শৰ স্খলন ঘটিছিল। বস্তুবাদী আদৰ্শৰে উদ্ভূত হৈ বহুকাল যৌথভাৱে বসবাস কৰি অহা পৰিয়ালসমূহে একক পৰিয়ালৰ ৰূপ ল'বলৈ ধৰিলে। পুৰণিকলীয়া বান্ধোন ছিণ্ডি, মাটিৰ সৈতে সম্পৰ্ক ছেদ কৰি মানুহবোৰ নগৰমুখী হ'বলৈ ধৰিলে। ইয়াৰ উপৰি নগৰীয়া সভ্যতাত বিলীন হোৱাৰ আশাত নিজৰ ঐতিহ্য-পৰম্পৰা পাহৰি পেলোৱাৰ উপক্ৰম হয়। মানুহবোৰ আত্মকেন্দ্ৰিক হ'বলৈ ধৰিলে। ফলত মূল্যবোধৰ অৱক্ষয় আৰম্ভ হয়। তদুপৰি ধন-সম্পত্তিৰ লালসা, সাম্প্ৰদায়িক সংঘাত আদি বিষয়বোৰেৰে *ৰামধেনুৰ* গল্প জীপাল হ'বলৈ ধৰিলে।ভাৰতৰ লগতে অসমৰ সমাজ তথা জাতীয় জীৱনলৈ নামি অহা অৱক্ষয় আৰু সঙ্কটাপন্ন অৱস্থা মনে-প্ৰাণে উপলব্ধি কৰি তথা যিবোৰ সংস্কাৰ কামনাৰে চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, যোগেশ দাস, মেদিনী চৌধুৰী, হোমেন বৰগোহাঞি, অতুলানন্দ গোস্বামী আৰু সৌৰভ কুমাৰ চলিহাই সমালোচনাধৰ্মী বহুতো চুটিগল্প ৰচনা কৰিছিল। এইসকল গল্পকাৰৰ উপৰিও সামাজিক ক্ষয়িষ্ণুতাৰ প্ৰতি সচেতনতা অৱলম্বনেৰে ছাইদুল ইছলাম, কুমুদ গোস্বামী, নগেন শইকীয়া আৰু অপূৰ্ব শৰ্মা আদি গল্পকাৰে পতনমুখী সমাজখনৰ চিত্ৰ অঙ্কনেৰে গল্প ৰচনাত ব্ৰতী হৈছিল।

এই সময়ছোৱাত মানুহৰ মনত পুৰণি মূল্যবোধৰ প্ৰতি অনীহা আৰু পাশ্চাত্য অথবা নতুন মূল্যবোধৰ প্ৰতি আকৰ্ষণৰ মনোভঙ্গী গঢ়ি উঠিছিল। এচামে নতুনক আদৰিবলৈ অমান্তি আৰু আন এচামৰ নতুনৰ প্ৰতি আকৰ্ষণে সমাজৰ সচেতন শ্ৰেণীৰ মাজত দ্বিধাৰ সৃষ্টি কৰিছিল। এই ধৰণৰ মনোভাৱে জন্ম দিয়া অসন্তুষ্টি আৰু যন্ত্ৰণাই বুদ্ধিজীৱী তথা চুটিগল্পকাৰসকলৰ মনত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এই ধৰণৰ কাৰকৰ সহযোগত ৰামধেনু যুগৰ চুটিগল্পই পূৰ্বৰ ৰচনা কৌশলৰ পৰা কিছুদূৰ আঁতৰি আহি নতুন দৃষ্টিভঙ্গী প্ৰয়োগৰ যোগেদি গল্প ৰচনা কৰিবলৈ ধৰিলে। মুঠতে, ঐতিহ্য-প্ৰীতি আৰু প্ৰাচীন পৰম্পৰাৰ নামত চলা শোষণ তথা প্ৰতিক্ৰিয়াবোৰ ওফৰাই পেলাই নৱতম ৰচনা-কৌশল তথা ভঙ্গী প্ৰয়োগ এই যুগৰ গল্পকাৰসকলৰ সৃষ্টি-সম্ভাৰত ফুটি উঠা দেখিবলৈ পোৱা যায়।

৩.৫.৩ ৰোমাণ্টিকতাৰ বিপৰীতে মানৱীয় চেতনা বা মনঃস্তত্ত্বৰ প্ৰয়োগ

আধুনিক জীৱন চিন্তাই ৰামধেনুৰ গল্পক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। আধুনিক যুগৰ জীৱনৰ বাস্তৱ ছবিখন শিল্পসন্মতভাৱে গল্পত তুলি ধৰিছিল। ৰোমাণ্টিক ভাব-আদৰ্শৰ ঠাইত এই সময়ৰ গল্পত মানুহৰ মনোজগতৰ বিশ্লেষণ বৰ্ণিত কৰা হয়।

ৰামধেনুত আধুনিক জীৱনৰ জটিল চিত্ৰ বিশ্বাসযোগ্য আৰু মনোগ্ৰাহী ৰূপত প্ৰতিফলিত হৈছে। মুঠতে ক'ব পাৰি যে এই যুগৰ গল্পবোৰে পাঠক সমাজৰ হৃদয়ৰ বিপৰীতে মস্তিষ্কত খুন্দা মাৰে।

পাশ্চাত্য শিক্ষাৰে শিক্ষিত গল্পকাৰসকলে পাশ্চাত্য মতাদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমীয়া গল্প ৰচনাত অগ্ৰসৰ হোৱা হেতু এই সময়ৰ অসমীয়া গল্পত বাহ্যিক সমাজখনৰ বিপৰীতে মানুহৰ মনোজগতৰ বিশ্লেষণ পোৱাটো সহজলভ্য হৈ পৰিছিল। এই সময়ৰ গল্পকাৰসকল ৰোমাণ্টিক ভাবাদৰ্শৰ পৰা কিছু আঁতৰি আহি বাস্তৱমুখী চিন্তা-ভাৱনাৰে গল্প ৰচনা কৰ্মত ব্ৰতী হ'ল। মনোবিশ্লেষণেৰে বাস্তৱবাদী মানৱতাবাদ প্ৰৱৰ্তনৰ উদ্দেশ্যৰে ৰচনা কৰা চৈয়দ আব্দুল মালিকৰ 'চিকাৰ', 'হৰি মাষ্টৰৰ দোকান', 'যীশুখ্ৰীষ্টৰ ছবি', 'বীভৎস বেদনা', 'ফ্ৰি কাপোৰ'; বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'মিঞা মনচুৰ' আৰু 'এজনী জাপানী ছোৱালী'; যোগেশ দাসৰ'কলপটুৱাৰ মৃত্যু','পৃথিৱীৰ অসুখ', 'উকমুকৰ পোৱালি' আদি উল্লেখযোগ্য গল্প। ইয়াৰ উপৰি এই দিশলৈ অৱদান আগবঢ়োৱা আন কেইগৰাকীমান উল্লেখযোগ্য গল্পকাৰ হ'ল হোমেন বৰগোহাঞি, ত্ৰৈলোক্যনাথ ভট্টাচাৰ্য, কুমুদ গোস্বামী, যতীন বৰা আৰু প্ৰণৱজ্যোতি ডেকা।

তদুপৰি পাশ্চাত্য শিক্ষাৰ প্ৰসাৰৰ ফলত আধুনিক যুগৰ লেখকসকলে বিশ্ব সাহিত্যৰ সৈতে পৰিচিত হয়। ফলত পাশ্চাত্যৰ বিভিন্ন মনোবৈজ্ঞানিক তত্ত্ব বা মনোসমীক্ষাত্মক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হয়। সেইসমূহৰ মাজৰ ফ্ৰয়েডীয় যৌন তত্ত্ব, আত্মহত্যা আৰু মৃত্যুস্পৃহা, নাৰী মনঃস্তত্ত্ব, শিশু মনঃস্তত্ত্ব, বৃদ্ধ মনঃস্তত্ত্ব, ৰুগ্ন মানসিকতা, নিৰ্জ্ঞান মনৰ সন্ধান আদিয়ে গল্পকাৰসকলৰ মনোজগতত আলোড়নৰ সৃষ্টি কৰে। তাৰেই বহিঃপ্ৰকাশ ঘটে এই যুগৰ সাহিত্যিক তথা চুটিগল্পকাৰসকলৰ ৰচনা-সম্ভাৰত। প্ৰকৃতাৰ্থত এই যুগৰ গল্পকাৰসকলৰ নিৰ্মিতিত চৰিত্ৰৰ মানসিক বিশ্লেষণ অতি সুন্দৰকৈ ফুটি উঠিছে। আধুনিক চিন্তাৰে পুষ্ট ৰামধেনু যুগৰ শক্তিশালী তথা জনপ্ৰিয় কাহিনীকাৰ চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা আদিৰ গল্পৰ কলা-কৌশলগত দিশত ফ্ৰয়েডীয় মনঃসমীক্ষাত্মক দৃষ্টিভঙ্গীৰ সফল প্ৰয়োগ লক্ষ্য কৰা যায়। এই দিশৰ পৰা 'শিখৰে শিখৰে', 'শত্ৰু', 'শলিতা মামী', 'আন্ধাৰৰ আঁৰে আঁৰে', 'অসুখ', 'নৰকত বসন্ত', 'মহাশ্বেতাৰ বিয়া' আদি উল্লেখযোগ্য গল্প।

ৰামধেনু যুগৰ গল্প লেখকসকলে অন্তৰ্মুখী আত্মকথনৰ দ্বাৰা নিজৰ অভিজ্ঞতা আৰু অনুভূতিৰে বাস্তৱতাৰ কাষ চাপি গল্প ৰচনা কৰিছিল। তেওঁলোকৰ মন-মগজুত খলকনি তুলি থকা সমাজ জীৱনৰ নানা সমস্যাৰে তেওঁলোক ভাৰাক্ৰান্ত হৈ আছিল। মানসিক অস্থিৰতা আৰু ভৱিষ্যতৰ অনিশ্চয়তাই সৃষ্টি কৰা মানসিক জটিল অৱস্থা এই যুগৰ প্ৰায়বোৰ গল্পকাৰৰ ৰচনাতে প্ৰতিফলিত হৈছে। গল্প-সম্ভাৰত এনে একোটা ভাব প্ৰকাশি উঠিছে যে তেওঁলোকে যেন নিজৰ মাজতে বৈচিত্ৰ্যৰ অনুসন্ধানত ব্ৰতী হৈছিল। বাস্তৱবাদী ধ্যান-ধাৰণা আৰু আধুনিক জীৱনৰ যন্ত্ৰণাই পীড়িত কৰা *ৰামধেনুৰ* গল্পত

নীতি-ধর্মহীন মনোভাৱ প্রকাশি উঠিছে। বহু সময়ত কথাশিল্পীসমূহৰ ৰচনাত কর্তব্যবোধৰ প্রেৰণা ধ্বনিত হ'লেও কিন্তু বাস্তৱ সমাজৰ প্রতি প্রকাশ কৰা ঘৃণাভাব প্রবাহিত হৈছে। প্রচলিত সমাজ ব্যৱস্থাৰ বিপৰীতে ধাৱমান হৈ বিনা দ্বিধাই আৱৰণবিহীন ৰূপত পৰিৱর্তিত জীৱনধাৰাৰ অনুসন্ধান কৰা পৰিলক্ষিত হৈছে। তদুপৰি এই যুগৰ গল্পত আধুনিক জীৱনৰ জটিল চিত্রৰ লগতে মানুহৰ আধ্যাত্মিক সঙ্কট সুন্দৰ ৰূপত তুলি ধৰিছে। মৃত্যুৰ প্রতি আকর্ষিত হৈ অর্থহীন জীৱন এটা জীয়াই থকাতকৈ মৃত্যুৱেই শ্রেষ্ঠ বুলি ভবা মনোভাৱ প্রকাশ পাইছে। আত্মহত্যাৰ প্রৱণতাও বহু গল্পকাৰে নিঃসঙ্কোচে গল্পত উপস্থাপন কৰিছে।

এই যুগৰ ৰচনাত আত্মহত্যাৰস্পৃহা আৰু মৃত্যুস্পৃহাৰ প্রয়োগ লক্ষ্য কৰা যায়। এই ধৰণৰ স্পৃহাক মানুহৰ জটিল মনোবৈজ্ঞানিক দিশৰ মাজতে অন্তর্ভুক্ত কৰিব পাৰি। এই ধৰণৰ জটিল মনোঃবিশ্লেষণৰ আধাৰত গল্প ৰচনা কৰা তিনিগৰাকী উল্লেখযোগ্য গল্পকাৰ হৈছে হোমেন বৰগোহাঞি, যোগেশ দাস আৰু সৌৰভ কুমাৰ চলিহা। কিন্তু উল্লেখ্য যে, এই তিনিও গৰাকীৰ মাজত এই ধৰণৰ গল্প ৰচনাত অদ্বিতীয় তথা দক্ষ গল্পকাৰৰূপে পোনতেই হোমেন বৰগোহাঞিৰ নামেই উল্লেখ কৰিব লাগিব। আত্মহত্যাৰ প্রৱণতা আৰু মৃত্যুস্পৃহাৰ প্রৱণতাই আৱৰি থকা সার্থক গল্প 'এপিটাফ', 'জননী', 'পোষ্টমর্টেম' আদি।

তদুপৰি উৎপীড়ন প্রৱণতাকো এই যুগৰ গল্পকাৰসকলে সুন্দৰকৈ উপস্থাপন কৰিছে। ফ্রয়েডৰ মনোবৈজ্ঞানিক বিশ্লেষণৰ এক উল্লেখনীয় দিশ হৈছে উৎপীড়ন প্রৱণতা। অসমীয়া কথা-সাহিত্যত এই 'চেদিজিম্' বা উৎপীড়ন প্রৱণতাৰ আধাৰত অতি তাকৰীয়া সংখ্যক লেখকেহে গল্প ৰচনা কৰিছে যদিও তাৰে মাজত হোমেন বৰগোহাঞিৰ 'অক্টোপাচ' আৰু 'হৃদয়ৰ প্রয়োজন'; চৈয়দ আব্দুল মালিকৰ 'বীভৎস বেদনা'; সৌৰভ কুমাৰ চলিহাৰ 'ভ্রমণ বিৰতি'ৰ নাম ল'ব পাৰি। এইসকলৰ উপৰি প্রহ্লাদ কুমাৰ বৰুৱাৰ নামো এই ক্ষেত্রত উল্লেখযোগ্য।

এই যুগৰ মনঃসমীক্ষাত্মক ধাৰাটোৰ আন এটি উল্লেখনীয় দিশ হৈছে ৰুগ্ন মানসিকতা। সময় সাপেক্ষে কোনো সামাজিক কাৰণতেই হওক বা তদানীন্তন জীৱন চক্রৰ পাকত পৰিয়েই হওক কোনো কোনো কাৰণত মানুহৰ মানসিকতা ৰুগীয়া হৈ পৰে আৰু গল্পকাৰসকলে সেইধৰণৰ চিত্রণৰ যোগেদি মনোবিশ্লেষণধর্মী বর্ণনা গল্পত উপস্থাপন কৰে। যাৰ সহায়ত চৰিত্রৰ তেনে কার্যকলাপৰ বিশ্লেষণাত্মক বর্ণনা পোৱাৰ লগতে পৰিত্রাণৰ কোনো সুৰুঙায়ো পাব পৰা যায়। এই ধৰণৰ ৰচনাকার্যত ব্রতী হোৱা গল্পকাৰসকলৰ মাজত পোনতে চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি, সৌৰভ কুমাৰ চলিহা আৰু ৰত্ন ওজাৰ নাম ল'ব পাৰি। এইকেইগৰাকী গল্পকাৰৰ বৰঙণিয়ে অসমীয়া কথা-সাহিত্যৰ এই দিশটো সমৃদ্ধ কৰিছে বুলি ক'ব পাৰি।

ৰামধেনু যুগৰ মানৰীয় চেতনাসম্ভূত গল্পসমূহৰ মাজত নাৰী মনঃস্তত্ত্ব, কিশোৰী মনঃস্তত্ত্ব, শিশু মনঃস্তত্ত্ব, বৃদ্ধ মনঃস্তত্ত্বমূলক ৰচনাৰ পয়োভৰ লক্ষ্যণীয়। নাৰী মনৰ

অনুভৱখিনি প্ৰকাশ কৰি এই সময়ত ভালেমান গল্প ৰচিত হৈছে। এই ক্ষেত্ৰত চৈয়দ আব্দুল মালিকৰ 'কাঠফুলা'; মামণি ৰয়ছম গোস্বামীৰ 'আন্ধাৰ পোহৰৰো অধিক'; হোমেন বৰগোহাঞিৰ 'তিনি বাই-ভনী'; নিৰুপমা বৰগোহাঞিৰ 'মধ্যবৰ্তিনী' আদি অনন্য সৃষ্টি। নাৰী মনৰ শুভ-অশুভ এই দুয়োটা দিশৰ আধাৰতে এই যুগত গল্পবোৰ ৰচনা কৰা হৈছিল। এইধৰণৰ ৰচনাই নাৰী মনৰ গোপন ভাব-অনুভূতি, আবেগবোৰক আৱৰণবিহীন ৰূপত তুলি ধৰিছিল।

শিশুৰ মনোজগতৰ আধাৰত ৰচিত গল্পসমূহৰ মাজত 'বিৰিণা অপমৃত্যু', 'জন্মদিনৰ প্ৰাৰ্থনা', 'অন্ধবেদনা', 'প্লেটফৰ্ম' আদি অন্যতম সুন্দৰ গল্প। শিশু মনঃস্তত্ত্বমূলক গল্পকাৰ ৰূপে দীপালী দত্ত, ৰুদ্ৰপ্ৰসাদ কাকতিৰ নাম উল্লেখযোগ্য। উল্লেখ্য যে আৱাহনৰ তুলনাত শিশু মনোবিশ্লেষাত্মক গল্পৰ ধাৰাৰ প্ৰয়োগ তথা ৰচনা কমিবলৈ ধৰিলে বুলি ক'ব পৰা যায়। ইয়াৰ উপৰি কিশোৰীৰ মনোজগতৰ সমীক্ষা আগবঢ়াই ৰামধেনুৰ যুগত গল্প ৰচনা কৰা একমাত্ৰ গল্পকাৰ হৈছে দীপালী দত্ত। তেওঁৰ এই ধৰণৰ মনোসমীক্ষা সম্বলিত উল্লেখযোগ্য গল্প হৈছে 'ডেউকা ভগা চৰাই' আৰু 'এজন পিতৃৰ স্বীকাৰোক্তি' আদি।

মানৱ মনৰ ৰহস্য, গোপন সত্য তথা মৌলিক প্ৰবৃত্তিগত গোপন সত্যৰ অনুসন্ধান ফ্ৰয়েডৰ মনোবৈজ্ঞানিক বিশ্লেষণৰ অন্য এটি উল্লেখনীয় দিশ। এই দিশ সম্পৰ্কে অসমীয়া কথা-সাহিত্যত ৰোহিণীকুমাৰ কাকতি, দীপালী দত্ত, প্ৰণীতা দেৱী আৰু অণিমা গুহ আদি গল্পকাৰসকলে উপস্থাপন কৰিছে।

মানৱ জীৱনৰ শেষ বয়সৰ কালছোৱা কিমান পীড়াদায়ক হ'ব পাৰে তেনে বৰ্ণনাৰ চিত্ৰণেৰে অসমীয়া সাহিত্যত গল্প ৰচনা নোহোৱাকৈ থকা নাই। বিভিন্ন ৰোগ, নিঃসংগ যন্ত্ৰণা আদি বিবিধ কাৰণত মানুহৰ মনত সৃষ্টি হোৱা পীড়াৰ লগতে মানসিক যন্ত্ৰণাৰ বিশ্লেষণেই এই গল্পসমূহৰ মাজত বৰ্ণিত হয়। এই ক্ষেত্ৰত ভবেন্দ্ৰ নাথ শইকীয়াৰ 'গ্ৰহণ'; সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্ৰন'; মহেন্দ্ৰ বৰঠাকুৰৰ 'তহঁতৰ মাজত মই'; অণিমা দত্তৰ 'সূৰ্য্য সম্ভৱা' আৰু বাসন্তী বৰুৱাৰ 'সম্ৰাট' আদি বৃদ্ধৰ মনঃস্তত্ত্ব বিষয়ক উল্লেখযোগ্য সৃষ্টি।

৩.৫.৪ ৰামধেনুৰ চুটিগল্পত পাশ্চাত্য মত-আদৰ্শৰ প্ৰয়োগ

মহাযুদ্ধৰ ফলত সৃষ্টি হোৱা অৰ্থনৈতিক সঙ্কট, সামাজিক অসমতা, শোষণ, ভ্ৰষ্টাচাৰ আদিয়ে সাহিত্যিকসকলৰ ভাববিলাসৰ মোহভঙ্গ কৰি বাস্তৱমুখী হোৱাত অৰিহণা যোগাইছিল। পৰিণতি স্বৰূপে কথাশিল্পীসকলৰ সৃষ্টিৰাজিৰ মাজত মাৰ্ক্সবাদী চিন্তাধাৰাৰ প্ৰকাশ পৰিলক্ষিত হয়। মাৰ্ক্সীয় চেতনাৰে প্ৰভাৱান্বিত গল্পকাৰসকলে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধনৰ বাবে যত্ন কৰিছিল। মাৰ্ক্সীয় চিন্তাৰ আলমত তেওঁলোকে শ্ৰেণী সংগ্ৰামৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তদুপৰি দুৰ্ভিক্ষ আৰু শ্ৰেণী বৈষম্য সমস্যাই এনেদৰে

সমাজত শিপাইছিল যে ফলস্বৰূপে এচামে ৰজাৰ দৰে আৰু আন এচামে কুকুৰ-মেকুৰীৰ দৰে জীৱন নির্বাহ কৰাৰ উপক্রম হৈছিল। এই ধৰণৰ তিক্ত অভিজ্ঞতাৰ যোগেদি অভিজ্ঞ গল্পকাৰসকলৰ অন্তর্জগতত ঈশ্বৰৰ অস্তিত্বৰ প্রতিও সন্দেহ উপজিবলৈ ধৰিলে। আনকি তেওঁলোকৰ বাবে ন্যায়-অন্যায়ৰ বিভাজনকাৰী সীমাৰেখাডালো অভিন্ন হৈ পৰিল। ফলত সমাজ পৰিৱর্তনৰ আশাৰে ব্যক্তিগত আশা-আকাংক্ষাৰ পৰা কিচু এলাগি হৈ মার্ক্সবাদী আদর্শৰে গল্প ৰচনা কৰি অর্থনৈতিক মুক্তিৰ যোগেদি সমতা স্থাপনৰ হকে প্রয়াস কৰিছিল। সমসাময়িক সমাজৰ পৰিস্থিতি তথা সমস্যা সম্পর্কে বিশ্লেষণ কৰিবলৈ যাওঁতে তেওঁলোকৰ অভিজ্ঞতাই এই চিন্তাধাৰাৰ গল্প ৰচনাৰ ক্ষেত্রত অনুপ্রেৰণা যোগাইছিল। অসমীয়া কথা-সাহিত্যৰ মার্ক্সীয় দর্শৰ আধাৰত গল্প ৰচনা কৰা এগৰাকী অন্যতম গল্পকাৰ হৈছে হোমেন বৰগোহাঞি। তেওঁৰ 'আবেলিৰ আলিবাটৰ গল্প', 'ইস্মাইল ছেখৰ সন্ধানত', 'নৰকত বসন্ত', 'পার্টি', 'ভাৰতবর্ষ ঃ 1947–65′ আৰু 'জননী' গল্পত মার্ক্সীয় দর্শনৰ প্রভাৱ স্পষ্ট ৰূপত প্রকাশ পাইছে।

সমসাময়িক পৰিৱেশ আৰু পৰিস্থিতিয়ে সাহিত্যিকসকলৰ মনত যথেষ্ট দ্বিধা আৰু সংশয় সৃষ্টি কৰিছিল। সমাজত চলি থকা শোষণ-বৈষম্য আদিয়ে সাধাৰণ মানুহৰ মনলৈ জীৱনৰ সংশয় আনি দিছিল। তেনে পৰিস্থিতিত কথা-সাহিত্যিকসকলৰ মনত অস্তিত্ববাদী চেতনাৰ সঞ্চাৰ ঘটিল। তেওঁলোকে ভগৱানৰ অস্তিত্বক অমান্য কৰাৰ লগতে ছার্ত্রেৰ নিজৰ জীৱন সম্পূর্ণৰূপে নিজৰ দ্বাৰা পৰিচালিত ধৰণৰ মতবাদত বিশ্বাস কৰিবলৈ ধৰিলে।তদুপৰি অস্তিত্ববাদীসকলে বিশ্বাস কৰাৰ দৰে আমাৰ সাহিত্যিক সমাজৰ কেইজনমান গল্পকাৰেও ভাবিবলৈ ধৰিলে যে প্রথমে ব্যক্তিৰ অস্তিত্ব আৰু তাৰ পাছত নিজে নিজৰ সাৰবস্তু নির্দ্ধাৰণ কৰি ল'ব লাগে। তেওঁলোকে ইয়াকো বিশ্বাস কৰে যে নিজৰ জীৱন আন কাৰো দ্বাৰা পৰিচালিত নহয় আৰু নিজৰ জীৱনৰ বিষয়ে সিদ্ধান্ত লৈ আগবাঢ়ি যোৱাৰ দায়িত্বও ব্যক্তিৰ নিজৰ ওপৰতে ন্যস্ত তথা নিজৰ জীৱনৰ বাবে কাকো দোষী কৰিব নোৱাৰি। অস্তিত্ববাদী ভাবধাৰাৰে গল্প ৰচনা কৰা গল্পকাৰসকলৰ মাজত এই যুগৰ অন্যতম গল্পকাৰ হৈছে সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি, নগেন শইকীয়া, কুমুদ গোস্বামী, অপূর্ব শর্মা আৰু মহেন্দ্র বৰপূজাৰীৰ নাম উল্লেখযোগ্য। উল্লেখ্য যে, অস্তিত্ববাদীসকলে বাস্তৱ ঘটনা আৰু চাক্ষুষ অভিজ্ঞতাৰ পৰা তথ্য সংগ্রহ কৰিছিল। তদুপৰি তেওঁলোকে লাভ কৰা চাক্ষুষ অভিজ্ঞতাসমূহৰ বিষয়-পৰিস্থিতিবোৰ গৌণ বুলি বিবেচনা কৰি বাদ দিয়াৰ বিপৰীতে সেইবোৰৰ বিশ্লেষণ কৰি জীৱনৰ স্বৰূপ উদ্‌ঘাটনত গুৰুত্ব আৰোপ কৰিছিল। এই ক্ষেত্রত সৌৰভ কুমাৰ চলিহাৰ 'জ্যামিতি', 'ধ্রুবক', 'বাছ নহালৈ'; হোমেন বৰগোহাঞিৰ 'আবেলিৰ আলিবাটৰ গল্প', 'অক্টোপাছ', 'যৌৱন', 'জন্ম'; নগেন শইকীয়াৰ 'বন্ধ কোঠাত ধুমুহা', 'প্রায়শ্চিত্ত', 'প্রাতিভাসিক', 'নিঃসংগ অস্তিত্ব' আদি উল্লেখযোগ্য গল্প।

মানুহৰ চেতনা অহৰহ প্রৱাহমান। ফ্রয়েড আৰু ইয়ুঙে মানুহৰ চেতনা বহুমাত্রিক

বুলি উল্লেখ কৰিছে। পাশ্চাত্যৰ এই চিন্তাধাৰাৰ প্ৰয়োগেৰে অসমীয়া কথা-সাহিত্যতো চেতনাস্ৰোতধৰ্মী গল্প ৰচনা হয়। চেতনাস্ৰোত পদ্ধতি প্ৰয়োগৰ যোগেদি গল্পকাৰসকলে মানুহৰ মনৰ চিন্তা প্ৰৱাহৰ গভীৰ বিশ্লেষণ কৰি সত্য আৱিষ্কাৰ কৰিবলৈ প্ৰয়াস কৰে। অসমীয়া কথা-সাহিত্যত এই ধৰণৰ পদ্ধতি প্ৰয়োগেৰে সৌৰভ কুমাৰ চলিহা, নগেন শইকীয়া আৰু হোমেন বৰগোহাঞিয়ে গল্প ৰচনা কৰিছে। কিন্তু নগেন শইকীয়াৰ ৰচনা-সম্ভাৰত এই পদ্ধতিৰ প্ৰয়োগ যথেষ্ট বেছি। উল্লেখ্য যে, চেতনাস্ৰোত পদ্ধতিৰে ৰচিত গল্পসমূহত জেমচ্ জয়েচৰ চৈতন্য-প্ৰবাহৰ প্ৰভাৱত 'Interior Monologue' (অন্তমুৰ্খী আত্মোক্তি)ৰ প্ৰয়োগ লক্ষ্য কৰা যায়। অসমীয়াত সৌৰভ কুমাৰ চলিহাৰ 'দূৰবীণ', 'দুপৰীয়া' এই দুটা গল্পত আৰু নগেন শইকীয়াৰ 'তাৰুণ্যৰ আত্মহত্যা', 'তললৈ আৰু তললৈ', 'এখন আচৰিত আইনাৰ সন্মুখত', 'বিমূঢ় বিমূঢ়' আদি গল্পত চেতনাস্ৰোত পদ্ধতিৰ সফল প্ৰয়োগ ঘটিছে।

পাশ্চাত্যৰ এটি অন্যতম মতবাদ হৈছে অভিব্যক্তিবাদ। মহাযুদ্ধৰ বিভীষিকাই সৃষ্টি কৰা শোচনীয় অৱস্থাই মানুহৰ জীৱনজগত সম্পৰ্কীয় চিন্তাধাৰাৰ পৰিৱৰ্তন ঘটালে। সাধাৰণ শ্ৰেণীৰ মানুহৰ লগতে সাহিত্যিকসকলৰ মনলৈয়ো জীৱন সম্পৰ্কে বিশৃঙ্খল ভাবধাৰা কঢ়িয়াই আনিলে। তদুপৰি এই যুগৰ গল্পকাৰসকলে পাশ্চাত্যৰ অভিব্যক্তিবাদী-সকলৰ দৰেই সমাজৰ কুৰূপ তথা কুৎসিত চিত্ৰখন বাস্তৱসম্মত আৰু নিৰাভৰণভাৱে গল্পত উপস্থাপন কৰিছে। ৰামধেনু যুগত এই ভাবধাৰা সৌৰভ কুমাৰ চলিহাৰ 'বীণা কুটীৰ'; নগেন শইকীয়াৰ 'বৃত্তৰ মাজৰ দুখ', হোমেন বৰগোহাঞিৰ 'ধুমুহা' আৰু 'আনন্দৰ উৎস'; কুমুদ গোস্বামীৰ 'দুঃসময়' আদি গল্পত অনন্য ৰূপত প্ৰতিফলিত হৈছে।

পাশ্চাত্য সাহিত্যৰ উল্লেখনীয় ভাবধাৰা অধিবাস্তৱবাদী চেতনাৰ প্ৰয়োগ ৰামধেনু যুগৰ চুটিগল্পৰ এটি উল্লেখনীয় দিশ। এইধৰণৰ ভাৱনাসমৃদ্ধ গল্পত মানৱ মনৰ মগ্ন চেতনা প্ৰৱাহৰ প্ৰকাশ ঘটে। অসমীয়া চুটিগল্প জগততে এই ধৰণৰ বহুসংখ্যক গল্প ৰচিত হোৱা নাই যদিও সৌৰভ কুমাৰ চলিহা আৰু নগেন শইকীয়াৰ গল্পত এই ধাৰাৰ সুন্দৰ প্ৰয়োগ লক্ষ্যণীয়। এই ক্ষেত্ৰত সৌৰভ কুমাৰ চলিহাৰ 'এহাত ডাবা' এটি সাৰ্থক সৃষ্টি। ইয়াৰ উপৰি হোমেন বৰগোহাঞিৰ 'ভয়' গল্পটোত অধিবাস্তৱবাদৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

৩.৫.৫ ৰামধেনুৰ চুটিগল্পত ব্যঙ্গৰ প্ৰয়োগ

অসমীয়া চুটিগল্প সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকীত* জন্ম দিয়া ব্যঙ্গাত্মক ধাৰাটিয়ে *আৰাহনৰ* মাজেদি আগবাঢ়ি আহি *ৰামধেনুত* শক্তিশালী ৰূপত ধৰা দিছে। মহাযুদ্ধৰ লগতে আনুষঙ্গিক বিভিন্ন কাৰকে জুৰুলা কৰা সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক সঙ্কটাপন্ন অৱস্থাত জাতীয় জীৱনত অৱক্ষয় আৰু দাৰিদ্ৰই শোচনীয় ৰূপ ধাৰণ কৰি আছিল। তেনে সময়তে সুবিধা বুজি পাবত গজা এচাম ৰাজনৈতিক নেতা-

পালিনেতাই গা কৰি উঠে। সমাজত দৰিদ্রসকলক শোষণৰ উদ্দেশ্যে মূৰ দাঙি উঠা ৰাজনৈতিক নেতা তথা সুবিধাবাদী শ্রেণীটোৰ ভণ্ডামি, শঠতাৰ প্রতি বিদ্রূপ কৰাৰ উদ্দেশ্যে গল্পকাৰসকলে ৰামধেনু যুগত ব্যঙ্গাত্মক দৃষ্টিভঙ্গীৰে গল্প ৰচনা কৰিছিল। এই সময়ৰ গল্পত কলাত্মক ৰূপত ব্যঙ্গাত্মক ধাৰাটোৰ প্রয়োগ কৰা হৈছিল। মহাযুদ্ধৰ ফলত সৃষ্টি হোৱা সঙ্কটপূর্ণ অৱস্থাই জুৰুলা কৰা জনসাধাৰণৰ মাজত স্বাধীনতা আন্দোলনে পুনৰ ত্রাসৰ সৃষ্টি কৰিছিল। এই ধৰণৰ সমস্যাবোৰ মাৰ নৌযাওঁতেই স্বাধীনতাৰ আগে-পাচে ভাৰতবর্ষৰ জলবায়ু প্রদূষিত কৰা সাম্প্রদায়িকতাৰ বতাহে পুনৰ জনগণৰ মাজত একপ্রকাৰ তাণ্ডৱৰ সৃষ্টি কৰিলে। সাম্প্রদায়িক সংঘর্ষৰ ফলত বহু লোক গৃহহাৰা হ'ল, বহুজনে প্রাণ হেৰুৱালে আৰু বহুতেই নিজৰ জন্মভূমি পাকিস্তান আৰু বঙ্গদেশৰ পৰা পলাই আহি ভাৰত তথা অসমত আশ্রয় লয়। কিন্তু সমাজ ব্যৱস্থাৰ গৰাখহনীয়াৰ ফলত সমাজ জীৱনৰ প্রায়বোৰ দিশতে দুর্নীতিয়ে এনেদৰে গা কৰি উঠিলে যে দেশ পুনৰ নির্মাণৰ নাম ধার্য কৰা ধনৰাশিৰ একোটা শকত মোটা অংশ তথাকথিত দেশপ্রেমিক, দুর্নীতিগ্রস্ত ৰাজনৈতিক নেতা, পালিনেতা আৰু সুবিধাবাদী কর্মচাৰীৰ হাতত লুকাল। এইসকলৰ ভণ্ড চৰিত্র আৰু ভদ্রতাৰ মুখা পিন্ধা দলীয় প্রার্থী-কর্মীৰ মুখাখন আঁজুৰি পেলোৱাৰ আপাহতে এই যুগৰ গল্পকাৰসকলে তীক্ষ্ণ ভাষাৰে ব্যঙ্গৰ প্রয়োগ কৰি গল্প ৰচনা কৰিছিল। ঠগ-প্রতাৰকৰ চৰিত্র চিত্রণেৰে সমসাময়িক সমাজ জীৱন চিত্র অঙ্কন কৰা গল্পকাৰসকলৰ এই শ্রেণীৰ ৰচনাই পাঠকক একপ্রকাৰৰ হাস্য ৰস আস্বাদনত অৰিহণা যোগোৱাৰ লগতে গল্পৰ কলাত্মক গুণ বৃদ্ধিতো সহায় কৰিছে। পদ্ম বৰকটকীৰ 'অসভ্য', 'আমাৰ আশাৰ আছে ইতিহাস'; মেদিনী চৌধুৰীৰ 'ইদ্রিচ', 'মই আৰু বাবুলাল'; মহেন্দ্র বৰঠাকুৰৰ 'খেল', 'বৰনামঘৰত দুঃশাসন বধ'; কুমুদ গোস্বামীৰ 'স্পন্দন', 'সোণৰ মেকুৰী'; সৌৰভ কুমাৰ চলিহাৰ 'গোলাম'; আৰু হোমেন বৰগোহাঞিৰ 'ভাৰতবর্ষ ঃ 1947–65′ শীর্ষক গল্পসমূহত ৰাজনৈতিক নেতা, শিক্ষিত, উচ্চ পর্যায়ৰ কর্মচাৰী, ছদ্মবেশী সমাজসেৱক আৰু পাশৱিক প্রবৃত্তিযুক্ত ভণ্ড শ্রেণীৰ চৰিত্রৰ স্বৰূপ উদঙাই দেখুৱাইছে।

৩.৫.৬ ৰামধেনুৰ চুটিগল্পত প্রগতিবাদী চিন্তাৰ প্রকাশ

দ্বিতীয় মহাসমৰ আৰু স্বাধীনতা লাভৰ পৰৱর্তী পর্যায়ত মূৰ দাঙি উঠা সুবিধাবাদী শোষক শ্রেণীৰ অত্যাচাৰৰ পৰিণতিতে এই যুগৰ সৃষ্টি সম্ভাৱত প্রগতিবাদী চিন্তাৰ প্রকাশ ঘটিছিল। এই সময়ত গল্পকাৰসকলে সাধাৰণ শ্রেণীৰ মুক্তি তথা সমতা কামনা কৰাৰ সমান্তৰালভাৱে নাৰীৰ সমস্যাৰ প্রতিও গুৰুত্ব আৰোপ কৰিছিল। সমসাময়িক সমাজৰ শোষক শ্রেণীৰ অত্যাচাৰৰ বিপক্ষে থিয় দিয়াৰ লগতে সাম্যবাদী চিন্তাৰ উন্মেষ ঘটোৱাৰ উদ্দেশ্য গল্পসমূহত শক্তিশালী ৰূপত প্রগতিবাদী চেতনাৰ সুৰ বাজি উঠিল। তদুপৰি এই সময়ৰ ৰচনাত সাম্যবাদী চিন্তা, নাৰী মুক্তি আৰু স্ত্রী-শিক্ষাৰ প্রচাৰ তথা প্রসাৰ আদি দিশতো প্রগতিবাদী চিন্তাৰ প্রকাশ ঘটাইছে। এই সময়ৰ

সমাজখনত বসবাস কৰা মার্ক্সবাদসম্পর্কে জ্ঞান থকা কিন্তু সাম্যবাদৰ প্ৰকৃত অর্থ নজনা ভণ্ড চৰিত্ৰৰ ভণ্ডামিক বিদ্রূপ কৰি ৰচনা কৰা গল্পসমূহত প্ৰগতিবাদী চিন্তাৰ প্ৰকাশ লক্ষ্য কৰা যায়। সমাজত প্ৰাচীন কালৰ পৰা প্ৰথাসন্মতভাৱে প্ৰচলিত কু-সংস্কাৰসমূহক পুলিয়ে-পোখায়ে উভালি তাৰ ঠাইত নৱ চিন্তাৰ উন্মেষ ঘটাই সমাজৰ উন্নতি সাধন কৰাতে প্ৰকৃত প্ৰগতিবাদী চিন্তাৰ বীজ নিহিত হৈ থাকে। অসমীয়া গল্প-সাহিত্যৰ ভঁৰাললৈ মহেন্দ্ৰ বৰঠাকুৰৰ 'মই অমলৰ বন্ধু'; পোলেন বৰকটকীৰ 'ভোক'; ঈশ্বৰ মহন্তৰ 'ভোজ'; বিনোদ শর্মাৰ 'বেইমান' আৰু মেদিনী চৌধুৰীৰ 'কলম' অন্যতম বৰঙণি। অসমীয়া সাহিত্যৰ দিশলৈ প্ৰগতিবাদী চেতনাৰে গল্প ৰচনা কৰা আন কেইগৰাকীমান উল্লেখযোগ্য গল্পকাৰ হ'ল চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য, যোগেশ দাস, হৰেকৃষ্ণ ডেকা, চিত্ৰলতা ফুকন, ৰূপম চৌধুৰী আৰু ৰুদ্রপ্রসাদ কাকতি। আৱাহনৰ মাজেদি গল্প-সাহিত্যত প্ৰয়োগৰ বাট মুকলি হোৱা প্ৰগতিবাদী চেতনাই প্ৰকৃত অর্থত আৰু পৰিপক্ক ৰূপত ৰামধেনুৰ চুটিগল্পত প্ৰয়োগ হ'বলৈ ধৰিলে।



চিন্তা-চর্চা কৰক - ৩.১

অসমীয়া ভাষাত চুটিগল্প বিষয়ত প্ৰকাশ পোৱা আলোচনামূলক পুথিৰ আধাৰত *ৰামধেনুৰ* চুটিগল্পৰ বিৱর্তন আৰু বিস্তৃতি সম্পর্কে আলোচনা কৰক।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ ৰামধেনু যুগৰ উল্লেখযোগ্য গল্পকাৰকেইগৰাকীৰ পৰিচয় আৰু গল্প কৃতি সম্পর্কে চমু পৰিচয় দিয়ক।

[150 টা শব্দৰ ভিতৰত)

২ নং প্রশ্ন ঃ ৰামধেনু যুগ চুটিগল্পত প্ৰতিফলিত হোৱা ধাৰাসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াওক। [250 টা শব্দৰ ভিতৰত)



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ যোগেদি আমি অসমীয়া সাহিত্যৰ সোণালী যুগ ৰূপে খ্যাত ৰামধেনু যুগৰ চুটিগল্পৰ বিকাশ সম্বন্ধে এটা ধাৰণা লাভ কৰিলোঁ।
- এই অধ্যায়টিৰ পর্যায়ক্রম আলোচনাৰ যোগেদি ৰামধেনু যুগৰ পটভূমি সম্বন্ধে সম্যক পৰিচয় আহৰণ কৰিলোঁ।

- এই আলোচনাৰ মাজেদি আমি অসমীয়া চুটিগল্পৰ স্বৰ্ণোজ্জ্বল যুগটোৰ চুটিগল্পৰ ধাৰাসমূহৰ লগতে এই ধাৰাসমূহৰ যোগেদি *ৰামধেনুৰ* চুটিগল্পৰ বিৱৰ্তন তথা পৰিপূৰ্ণতা লাভৰ সামগ্ৰিক ধাৰণা লাভ কৰিলোঁ।
- চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আদি আধুনিক প্ৰতিভাশালী গল্পকাৰ-সকলৰ সম্যক পৰিচয় তথা সাহিত্যকৃতি সম্পৰ্কে ধাৰণা লাভ কৰিলো। সেই সময়ৰ অসমীয়া গল্প-সাহিত্যৰ প্ৰসাৰ তথা পৰিপূৰ্ণ ৰূপ সম্পৰ্কে এটি পৰিচয় পালো।
- সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক অৱস্থাই সৃষ্টি কৰা পৰিৱেশৰ জীৱন্ত দলিল স্বৰূপ ৰামধেনুৰ গল্প-সম্ভাৰত প্ৰতিফলিত পাশ্চাত্য আদৰ্শ, মতবাদ তথা ধ্যান-ধাৰণাৰ সমান্তৰালকৈ প্ৰকাশি উঠা ব্যঙ্গাত্মক ধাৰা আৰু প্ৰগতিবাদী চিন্তাৰ প্ৰকাশ সম্বন্ধে আভাস পালোঁ।
- এই আলোচনাৰ যোগেদি আমি *ৰামধেনুৰ* চুটিগল্পৰ বিষয় সম্পৰ্কে আৰু নৱতম কলা-কৌশলৰ প্ৰয়োগৰ বিষয়ে আভাস লাভ কৰিলোঁ।



৩.৭ অধিক জানিবলৈ

1] গগৈ, লীলা (সম্পা.) [2002] ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

2] গগৈ, হৃদয়ানন্দ (সম্পা.) [1999] ঃ *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

3] গোস্বামী, ত্ৰৈলোক্যনাথ [2006] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

4] নেওগ, মহেশ্বৰ (2000] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

5] বৰগোহাঞি, হোমেন (সম্পা.)(2004] ঃ *অসমীয়া গল্প সঙ্কলন* (1ম খণ্ড); গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

6] বৰা ফুকন, ৰুণমণি (2017] ঃ *হোমেন বৰগোহাঞিৰ চুটিগল্প;* গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশন।

7] বৰুৱা, প্ৰহ্লাদ কুমাৰ [2005] ঃ *অসমীয়া চুটিগল্প অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

8] ভট্টাচাৰ্য্য, পৰাগ কুমাৰ [1993] ঃ *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

9] শইকীয়া বৰা, লীলাৱতী (সম্পা.) [2003] ঃ *অসমীয়া চুটিগল্পৰ প্ৰৱাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

10] শৰ্মা, সত্যেন্দ্ৰনাথ [2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৩.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ *ৰামধেনু* আলোচনীখনৰ চমু পৰিচয়... ...উল্লেখযোগ্য গল্পকাৰকেইজন... ...চৈয়দ আব্দুল মালিক, বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য, লক্ষ্মীনন্দন বৰা, সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি, মহিম বৰা, নিৰুপমা বৰগোহাঞি আদি প্রতিভাশালী গল্পকাৰৰ লগতে গল্প সম্পর্কে পৰিচয়।

২ নং প্রশ্নৰ উত্তৰ ঃ *ৰামধেনু* আলোচনীৰ পটভূমি সম্পর্কে চমু পৰিচয়... ...*ৰামধেনুৰ* গল্পৰ ধাৰাসমূহ (এই আলোচনাত ৰামধেনু যুগৰ উল্লেখনীয় গল্পকাৰসমূহৰ নাম আৰু গল্পবোৰৰ নাম প্রয়োজন সাপেক্ষে উল্লেখ কৰি আলোচনা কৰিব লাগিব।)



৩.৯ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ ৰামধেনু যুগ বুলি অসমীয়া চুটিগল্পৰ ইতিহাসত কোনখিনি সময়ৰ বিষয়ে উল্লেখ কৰা হৈছে?

প্রশ্ন ২ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই কোন সময়ৰ পৰা ৰামধেনুৰ সম্পাদক ৰূপে দায়িত্ব গ্রহণ কৰিছিল?

প্রশ্ন ৩ ঃ ৰামধেনু যুগৰ পটভূমি নির্মাণৰ ক্ষেত্রত কিন্তু কথাটো কিছু সুকীয়া— কথাষাৰৰ আধাৰত ৰামধেনু যুগৰ পটভূমি সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ *জয়ন্তী* পুনৰ কাৰ সম্পাদনাত আৰু কাৰ পৃষ্ঠপোষকতাত কিমান চনত ন-ৰূপত গঢ় লৈ উঠে?

প্রশ্ন ৫ ঃ *ৰামধেনুৰ* চুটিগল্পৰ আঙ্গিক সম্পর্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা সম্বন্ধে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৭ ঃ *আৰাহনত* বিকাশ লাভ কৰা চুটিগল্পই ৰামধেনু যুগত পৰিপূর্ণতা লাভ কৰিলে— এই কথাষাৰৰ ভেঁটিত অসমীয়া সাহিত্যৰ অন্যতম স্তৰ *ৰামধেনুৰ* চুটিগল্প সম্পর্কে বিস্তৃত আলোচনা আগবঢ়াওক।

প্রশ্ন ৮ ঃ *ৰামধেনু* আলোচনীত প্রকাশ হোৱা মার্ক্সবাদী গল্প সম্পর্কে এটি প্রবন্ধ প্রস্তুত কৰক।

প্রশ্ন ৯ ঃ *ৰামধেনুত* পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰচনা ৰীতিৰে গল্প ৰচনা কৰা গল্পকাৰ গৰাকীৰ গল্প সম্পর্কে আলোচনা কৰক।

প্রশ্ন ১০ ঃ মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনে সমসাময়িক সমাজখনৰ সাধাৰণ জনসাধাৰণৰ লগতে অসমীয়া কথা-সাহিত্যিকসকলক কিদৰে প্রভাৱিত কৰিছিল সেই বিষয়ে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ১১ ঃ *ৰামধেনুৰে* বহন কৰা পাশ্চাত্যৰ মতাদৰ্শন সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা কৰক।

প্ৰশ্ন ১২ ঃ *ৰামধেনুৰ* চুটিগল্পত প্ৰতিফলিত প্ৰগতিবাদী চেতনা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ১৩ ঃ *আৰাহনৰ* তুলনাত ৰামধেনুৰ ব্যঙ্গাত্মক ধাৰাটো অধিক শক্তিশালী— কথাষাৰৰ অৰ্থ বিশ্লেষণ কৰাৰ লগতে *ৰামধেনুৰ* এই ধাৰাটি সম্পৰ্কে আলোচনা কৰক।

*** ***** ***